**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 31-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::::**

১।	**বিজেপিৰ** জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়াৰে পৰা কন্যাকুমাৰীস্থিত বিবেকানন্দ স্মৃতিসৌধত ধ্যান আৰম্ভ কৰিছে।

২।	**ৰাজ্যসভাৰ** উপাধ্যক্ষ হৰিৰংশে ঐতিহ্য সংৰক্ষণৰ বাবে অৰ্থনৈতিক শক্তিৰ ভেটি নিৰ্মাণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰিছে।

৩।	**মণিপুৰত** হঠাত অহা বানপানীয়ে বিধ্বংসী ৰূপ ধাৰণ কৰিছে।

৪।	**ছত্তীশগড়ত** নিৰাপত্তা বাহিনীয়ে বিজাপুৰ জিলাৰ বিভিন্ন স্থানৰ পৰা **১৬**জন মাওবাদীক গ্ৰেপ্তাৰ কৰিছে।

*আৰু*

৫।	**ভাৰতৰ** অংকুশিতা বড়োৱে থাইলেণ্ডৰ বেংককত অনুষ্ঠিত বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰৰ মহিলাৰ ৬০ কিল'গ্ৰাম ওজন শাখাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ৰাজ্যসভাৰ উপাধ্যক্ষ হৰিৰংশে ঐতিহ্য সংৰক্ষণৰ বাবে অৰ্থনৈতিক শক্তিৰ ভেটি নিৰ্মাণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰিছে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ কলা নিধি বিভাগৰ উদ্যোগত কালি আয়োজিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে যিকোনো দেশৰ থলুৱা ভাষাত কৰা সাংবাদিকতাৰ শক্তি জাতিটোৰ অৰ্থনৈতিক অৱস্থাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। তেওঁ কয় যে অনুষ্ঠানত উন্মোচিত হিন্দী সাংবাদিকতাৰ সৈতে জড়িত গ্ৰন্থখনে ভৱিষ্যতৰ লেখকসকলৰ বাবে সহায়ক হিচাপে কাম কৰিব। ভাষণত তেওঁ এখন দেশৰ থলুৱা ভাষাত কৰা সাংবাদিকতা আৰু দেশখনৰ অৰ্থনৈতিক অৱস্থাৰ মাজৰ সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত গান্ধীজীৰ ভাৰতীয় মতাদৰ্শ আৰু অন্যান্য লেখাসমূহৰ মতাদৰ্শৰ বিষয়ে

আলোচনা কৰি তেওঁ কয় যে গান্ধীজীয়ে সদায় ব্যক্তিৰ সৈতে নহয়, বৰং সমস্যাসমূহৰ সৈতেহে সমালোচনাত্মকভাৱে জড়িত হোৱাৰ পোষকতা কৰিছিল।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়াৰে পৰা কন্যাকুমাৰীস্থিত বিবেকানন্দ স্মৃতিসৌধত ধ্যান আৰম্ভ কৰিছে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ব'ৰ চহৰৰ ভাগৱতী আম্মান মন্দিৰ দৰ্শন কৰে। প্ৰধানমন্ত্ৰীগৰাকীক এই মন্দিৰত পূৰ্ণ কুম্ভ সন্মান প্ৰদান কৰা হয়। ইয়াৰ পিছত তেওঁ এম.এল.বিবেকানন্দ জাহাজেৰে বংগোপসাগৰত অৱস্থিত বিবেকানন্দ স্মৃতিসৌধত উপস্থিত হয়। শ্ৰী মোডীয়ে ১ জুনলৈকে সেই স্থানতে ধ্যানত মগ্ন হ'ব। ধ্যান শেষ হোৱাৰ পিছত তেওঁ বিবেকানন্দ শিলৰ সমীপত অৱস্থিত ১৩৩ ফুট উচ্চতাৰ তিৰুৱল্লুৱৰ মূৰ্তিতো পুস্পাঞ্জলি অৰ্পণ কৰিব। সেইদিনা তেওঁ ত্ৰিবেন্দ্ৰম হৈ দিল্লীলৈ উভতি যাব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণসূচীৰ বাবে সমগ্ৰ এলেকাটোত উপকূলীয় আৰু সামুদ্ৰিক নিৰাপত্তা কটকটীয়া কৰি তোলা হৈছে।

০০০০০

মণিপুৰত হঠাত অহা বানপানীয়ে বিধ্বংসী ৰূপ ধাৰণ কৰিছে। ইম্ফল চহৰ বানৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। চহৰখনলৈ যোৱা প্ৰায়বোৰ পথ ডুব গৈছে। ৰাজভৱন আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহো ইতিমধ্যে পানীত ডুব গৈছে। খোৱাৰমবন্দ ইমা মাৰ্কেট আৰু অন্যান্য বজাৰসমূহ প্লাৱিত হৈ পৰিছে। মণিপুৰ আৰক্ষী, সেনা, আছাম ৰাইফলছ, ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীয়ে উদ্ধাৰ অভিযানত জপিয়াই পৰিছে। লোকটাক উন্নয়ন কৰ্তৃপক্ষইও উদ্ধাৰ অভিযানত যোগদান কৰি প্ৰায় ৮০০ লোকক ইতিমধ্যে সুৰক্ষিত এলেকালৈ স্থানান্তৰ কৰিছে। সেনাপতি জিলাত নদীত উটি যোৱা এগৰাকী মহিলাৰ মৃতদেহ কালি উদ্ধাৰ কৰা হৈছে। ইতিমধ্যে জিলাখনত বানাক্ৰান্তসকলৰ বাবে তিনিটা অস্থায়ী শিবিৰ মুকলি কৰা হৈছে। ৰাজ্য চৰকাৰে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজিও স্বায়ত্ব শাসিত সংস্থা, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানকে ধৰি সকলো চৰকাৰী কাৰ্যালয় বন্ধ ঘোষণা কৰিছে। ৰাজ্যিক উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগেও চৰকাৰী আৰু ব্যক্তিগত আৰু প্ৰাথমিক বিদ্যালয়সমূহৰ লগতে উচ্চ শিক্ষানুষ্ঠানসমূহো ১ জুন পৰ্যন্ত বন্ধ ৰখাৰ নিৰ্দেশ প্ৰদান কৰিছে। বানাক্ৰান্তসকলক সাহায্য প্ৰদানৰ বাবে ২৪ ঘণ্টাই সেৱা উপলব্ধ থকা এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। ইফালে ইম্ফলস্থিত বতৰ বিজ্ঞান কেন্দ্ৰই অহা দুদিনলৈ মণিপুৰৰ অধিকাংশ জিলাতে প্ৰৱল বৃষ্টিপাতৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিছে।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখৰে কালি উত্তৰাখণ্ডৰ উধম সিং নগৰ জিলাৰ গোবিন্দ বল্লভ পন্ত কৃষি আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় পৰিদৰ্শন কৰে। তেওঁ কৃষকসকলে প্ৰযুক্তিগত উন্নতিক আকোৱালি লোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু কৃষি সম্পৰ্কীয় উদ্যোগসমূহৰ সৈতে অত্যাধুনিক প্ৰযুক্তিবিদ্যা সংযোগ কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। উৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পূৰ্বে নৈনীতাল জিলাৰ বাবা নিম কৰোৰী আশ্ৰম পৰিদৰ্শন কৰে। তেওঁ কয় যে ভাৰতৰ চহকী সাংস্কৃতিক ঐতিহ্য বিশ্বজুৰি অতুলনীয়। তেওঁ সমসাময়িক বিশ্বজনীন প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাত ভাৰতীয় সংস্কৃতিৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০

ছত্তীশগড়ত নিৰাপত্তা বাহিনীয়ে বিজাপুৰ জিলাৰ বিভিন্ন স্থানৰ পৰা ১৬জন মাওবাদীক গ্ৰেপ্তাৰ কৰিছে। বিজাপুৰ থানা এলেকাৰ অন্তৰ্গত গোৰ্না পডিয়াৰপাৰা অঞ্চলৰ পৰা ১১জন মাওবাদীক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে, উছুৰ থানা এলেকাৰ অন্তৰ্গত ভূছাপুৰ অঞ্চলৰ পৰা ৫জন মাওবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে দাবী কৰা মতে, ধৃত মাওবাদী কেইজন আই ই ডি বিস্ফোৰণ আৰু অঞ্চলটোত নিৰাপত্তা বাহিনীৰ চলাচল ৰোধৰ বাবে পথ খন্দা কাণ্ডৰ সৈতে জড়িত আছিল।

০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে এছ্‌ এণ্ড পি গ্লোবেল ৰেটিংছত ভাৰতৰ প্ৰতি দৃষ্টিভংগী পুনৰীক্ষণ কৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ অৰ্থনীতি সুদৃঢ় কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে হৈছে বুলি প্ৰকাশ কৰিছে। এই সংস্থাটোৱে ভাৰতৰ অৰ্থনৈতিক দৃষ্টিভংগী সুস্থিৰৰ পৰা ইতিবাচক বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত বিজেপিৰ মুখপাত্ৰই জাফৰ ইছলামে কয় য়ে, বিজেপি নেতৃত্বাধীন চৰকাৰে বিগত ১০ টা বছৰত দেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে গাঁথনিগত সংস্কাৰ কৰাৰ লগতে আন ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে, মোদী চৰকাৰৰ নেতৃত্বত ব্যৱসায় কৰাটো সহজ কৰা হৈছে। তেওঁ লগতে পূৰ্বৰ ইউ পি এ চৰকাৰৰ শাসন কালৰ কথা সমালোচনা কৰি কয় যে, এই সময়ত দেশৰ অৰ্থনীতি স্থিবৰ হৈ পৰিছিল। তেওঁ লগতে প্ৰকাশ কৰে যে,  কোভিড মহামাৰীৰ আৰু ইউক্ৰেইন-ৰাছিয়া সংঘাটৰ ফলত ভাৰতৰ অৰ্থনীতি বৃদ্ধি ইতিবাচক হৈছে।

০০০০০

ভাৰতে  পেলেষ্টাইন মহানগৰৰ গাজাৰ দক্ষিণাঞ্চলৰ ৰাফাত ভালেমান অসামৰিক লোকে প্ৰাণ হেৰুওৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সংবাদমাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা বিভাগৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, ৰাফাৰ আশ্ৰয় শিবিৰত ভালমান লোকে প্ৰাণ হেৰুওৱা ঘটনা অতি উদ্বেগজনক। তেওঁ কয় যে, ভাৰতে দেশ দুখনৰ সংঘাটৰ সময়ত আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ আইন অনুসৰি একেৰাহে

অসামৰিক লোকৰ সুৰক্ষাৰ হকে মাত মাতি আহিছে। তেওঁ কয় যে ইজৰাইল কৰ্তৃপক্ষই ইতিমধ্যে এই শোকাবহ ঘটনাৰ বাবে দায়িত্ব স্বীকাৰ কৰিছে আৰু ইয়াৰ তদন্ত ঘোষণা কৰিছে।

০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কৈছে যে, এছ এণ্ড পি গ্লোবেল ৰেটিংছত ভাৰতৰ প্ৰতি দৃষ্টিভংগী সুস্থিৰৰ পৰা ইতিবাচক বুলি প্ৰকাশ পোৱাতো ‍এটা উল্লেখযোগ্য সাফল্য। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ কয় যে, ভাৰতৰ প্ৰতি এনেধৰণৰ অৰ্থনৈতিক দৃষ্টিভংগীয়ে অনাহত বৰ্ষ সমূহত ভাৰতৰ অৰ্থনৈতিক বিকাশৰ কথা প্ৰতিফলিত কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত চৰকাৰে ২০১৪ চনৰ পৰা ভালেমান ক্ষুদ্ৰ অৰ্থনৈতিক সংস্কাৰ কৰাৰ ফলত এনেধৰণৰ সাফল্য অৰ্জন কৰিছে। তেওঁ লগতে কয় যে বিশ্বৰ তৃতীয় সৰ্বাধিক অৰ্থব্যৱস্থাৰ দেশ হোৱাৰ বাবে ভাৰত সঠিত পথত আগবাঢ়িছে।

০০০০০

নিৰ্বাচন হ'বলৈ বাকী থকা দেশৰ অন্যান্য লোকসভা সমষ্টিসমূহৰ লগতে হিমাচল প্ৰদেশৰ চাৰিওখন লোকসভা আসন আৰু বিধানসভাৰ ছখন আসনৰ উপ-নিৰ্বাচনৰ বাবে কালি নিৰ্বাচনী প্ৰচাৰৰ অন্ত পৰে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি মাণ্ডী সংসদীয় সমষ্টিৰ কাৰ্ছগ অঞ্চলত এখন নিৰ্বাচনী প্ৰচাৰ সভাক সম্বোধন কৰে। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কুল্লু অঞ্চলত এখন জনসভাত ভাগ লয়। সভাত দলৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জয়ৰাম ঠাকুৰো উপস্থিত আছিল।

একেদৰে, উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপিৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰৰ সৈতে হামিৰপুৰ সংসদীয় সমষ্টিত প্ৰচাৰ চলায়। ইয়াৰ পাছত তেওঁ ঘুমাৰউইনত আন এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে।

ইপিনে, জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী তথা দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাদ্ৰাই কালি চোলানত এটা ৰোডশ্ব’ত ভাগ লয়। ৰোডশ্ব'ত তেওঁৰ সৈতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখুৱেও ভাগ লয়।

উল্লেখযোগ্য যে বিজেপি আৰু কংগ্ৰেছৰ মাজত প্ৰত্যক্ষ নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতা হোৱা ঠাইসমূহৰ ভিতৰত হিমাচল প্ৰদেশ অন্যতম।

০০০০০

ভাৰতৰ অংকুশিতা বড়োৱে থাইলেণ্ডৰ বেংককত অনুষ্ঠিত বিশ্ব অলিম্পিক বক্সিং কোৱালিফায়াৰৰ মহিলাৰ ৬০ কিল'গ্ৰাম ওজন শাখাত কাজাখস্তানৰ খেলুৱৈৰ বিৰুদ্ধে ৪-১ ফলাফলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে পুৰুষৰ ৭১ ভাৰতৰ নিশান্ত দেৱেও থাইলেণ্ডৰ পীৰাপাট ইয়েছুংনোয়েনৰ বিৰুদ্ধে ৫-০ ফলাফলত জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ইয়াৰ পূৰ্বে মহিলাৰ ৬৬ কিল'গ্ৰাম ওজন শাখাত ভাৰতৰ অৰুন্ধতী চৌধুৰীয়েও প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পিভি সিন্ধু কালি ছিংগাপুৰ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কেৰ'লিনা মেৰিনৰ বিৰুদ্ধে পৰাস্ত হয়। এয়া হ'ল স্পেইনৰ প্ৰতিদ্বন্দী খেলুৱৈগৰাকীৰ বিৰুদ্ধে সিন্ধুৰ একেৰাহে ষষ্ঠ পৰাজয়।

ইয়াৰ পূৰ্বে সিন্ধুৱে প্ৰথম ৰাউণ্ডত বিশ্বক্ৰমৰ ২১ সংখ্যক স্থানৰ খেলিৱৈ হজমাৰ্ক কেয়াৰছফেল্ডক ২১-১২, ২২-২০ গেমত পৰাস্ত কৰিছিল।

০০০০০

ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া সৌৰভ গাৰ্গক সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ পৰা পৰিসংখ্যা মন্ত্ৰালয়লৈ সচিব হিচাপে বদলি কৰা হৈছে। বিষয়াগৰাকীয়ে অহা ৩১ জুলাইত অৱসৰৰ পাছতো এবছৰলৈকে একেটা পদতে থাকিব। শ্ৰীগাৰ্গে ৰাষ্ট্ৰীয় পৰিসংখ্যা আয়োগৰ সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰিব।

০০০০০